# অধ্যায় ২ ঃ অসমীয়া ৰূপতত্ত্ব

**অধ্যায় গাঁথনি**

২.১ উদ্দেশ্য

২.১ পৰিচয়

২.৩ অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৫ অধিক জানিবলৈ

২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৭ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ গাঁথনিক দিশৰ সাধাৰণ আভাস পাব
- ৰূপনো কি সেই সম্পৰ্কে এক আভাস লাভ কৰিব।
- ৰূপতত্ত্বৰ অন্তৰ্গত উপাদানবোৰৰ পৰিচয় লাভ কৰিব।
- ভাষা এটাৰ শুদ্ধতাত 'ৰূপ'ৰ জ্ঞানে কেনেদৰে সহায় কৰে সেই বিষয়ে জানিব পাৰিব।
- ৰূপত্ত্বৰ ব্যাকৰণগত বিষয় সম্পৰ্কে একা ধাৰণা লাভ কৰিব।

## ২.১ পৰিচয়

ভাষা অধ্যয়নৰ ক্ষেত্ৰত ধ্বনিতত্বৰ পিচতেই ৰূপতত্ত্বৰ স্থান। ভাষাবিজ্ঞানৰ এই স্তৰত ভাষাৰ ব্যাকৰণগত এককসমূহৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। এই বিশ্লেষণত বিশেষকৈ শব্দগঠন আৰু পদসাধনৰ পৰ্যালোচনা কৰা হয়। লীলাৱতী শইকীয়া বৰাৰ মতে ভাষা এটাৰ ৰূপ (Morph), ৰূপৰ সংযোগ আৰু তেনে সংযোগৰ ফলত সৃষ্ট নতুন অৰ্থবাচক শব্দ বা পদ-গঠনৰ পৰ্যালোচনাই হৈছে সেই ভাষাটোৰ ৰূপতত্ব। বিভিন্নজন ভাষাবিজ্ঞানীয়ে বিভিন্ন ধৰণে ৰূপতত্বৰ সংজ্ঞা দাঙি ধৰিছে। ব্লুমফিল্ডৰ

Scanned with CamScanner

মতে— ভাষাৰ অংগবোৰৰ লগত ব্যৱহাৰ হোৱা বদ্ধৰূপবোৰৰ আলোচনাই হৈছে ৰূপতত্ত্ব (By the morphology of language we mean the constitucions in which bound-forms appear among the constitutents)। আন এগৰাকী ভাষাবিদ নিদাৰ মতে— শব্দ আৰু শব্দাংশ গঠনত প্ৰাকৃতি আৰু প্ৰাকৃতিবোৰৰ প্ৰয়োগ সম্পৰ্ক অধ্যয়নেই হৈছে 'ৰূপতত্ত্ব' (Morphology is the study of morphems and their arrangements in forming words or part of words) মুঠৰ ওপৰত ৰূপতত্ত্বৰ শিতানত আলোচিত ৰূপৰ বিন্যাসে (morpheme arrangement) শব্দ বা শব্দাংশ গঠন কৰা বৰ্ণৰ অৰ্থবহ সকলো সংযোগ(combination)-ক সামৰি লয়।

## ২.৩ অসমীয়া ৰূপতত্ত্বৰ সাধাৰণ পৰিচয়

'ৰূপতত্ত্ব' শব্দটো ইংৰাজী morphology শব্দৰ পাৰিভাষিক ৰূপ। এই ৰূপতত্ত্বৰ মূল আধাৰ হৈছে **ৰূপ**।

ৰূপতত্ত্বৰ পৰিসৰ অত্যন্ত ব্যাপক। পৃথিৱীৰ সকলো ভাষাতে সিমিত সংখ্যকহে বাগ্‌ধ্বনি উচ্চাৰিত হয়। এই বাগধ্বনিবোৰৰ এটা বা এটাতকৈ অধিক ধ্বনিৰ সংযোগ ঘটাই অৰ্থ প্ৰকাশক এটা ৰূপ সৃষ্টি কৰা হয়। যেনে— 'ক'। কোনোৱে যদি আপোনক সুধিলে, "মই আপোনাক কথা এটা কওঁনে?" তেতিয়া আপুনি উত্তৰ দিলে— 'ক'। —এই 'ক' ধ্বনিটোৱে এটা সম্পূৰ্ণ অৰ্থবাচক ৰূপ সৃষ্টি কৰিব পাৰিছে। অৱশ্যে প্ৰত্যেক ভাষাৰে ৰূপগঠন বা শব্দগঠনপদ্ধতি সুকীয়া সুকীয়া। শব্দ-গঠন পদ্ধতি ইমান বেলেগ বেলেগ যে বিশেষ এক নিয়ম বা পদ্ধতিৰে ইয়াক বিশ্লেষণ কৰিব নোৱাৰি। কিছুমান ভাষাত মূল ৰূপৰ আগত প্ৰত্যয় লগ লাগে; কিছুমানত মূল ৰূপৰ মাজত; কিছুমানৰ পাছত আৰু কিছুমান ভাষাত আগত আৰু পাছত যোগ হয়। কিছুমান ভাষাত প্ৰত্যয়বোৰ স্পষ্ট হৈ থকাৰ বিপৰিতে কিছুমান ভাষাত এই বদ্ধৰূপবোৰ মূলৰ সৈতে এনেদৰে সংযোগ হৈ থাকে যে বিশেষ পদ্ধতিৰ অবিহনে এইবোৰ সহজে বাছি উলিওৱা কঠিন হৈ পৰে। ভাষা একোটাৰ এনবোৰ বৈয়াকৰণিক ৰূপ যেনে— উপসৰ্গ (Prefix), পৰসৰ্গ (Suffix), অন্তঃসৰ্গ (Infix) আদিয়ে শব্দগঠন আৰু পদসাধনত কেনে ভূমিকা গ্ৰহণ কৰে; লিংগ, বচন, পুৰুষ আদি নিৰ্ণয় কৰাৰ লগতে এইবোৰে শব্দগঠনত কেনে পৰিৱৰ্তন সাধন কৰে এই সকলোবোৰ দিশৰ আলোচনা ৰূপতত্ত্বৰ পৰিসৰৰ ভিতৰুৱা।

Scanned with CamScanner

ৰূপতত্ত্বৰ আলোচনাৰ ভিতৰলৈ যোৱাৰ প্ৰাক্ মুহূৰ্তত ৰূপ নো কি সেই সম্পৰ্কে স্পষ্ট হোৱাৰ প্ৰয়োজন। ৰূপতত্ত্ব আলোচনাৰ এটা বিশেষ দিশ হ'ল ৰূপ। ৰূপ ভাষা এটাৰ ক্ষুদ্ৰতম ব্যাকৰণগত উপাদান। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। শব্দ এটাৰ ক্ষুদ্ৰতম বিভাজিত গোটসমূহেই হ'ল ৰূপ। এই ৰূপ বা morpheme সম্পৰ্কে বিভিন্নজন ভাষাবিদে বিভিন্ন ধৰণে তেওঁলোকৰ মতামত আগবঢ়াইছে যদিও এটা কথাত সকলো সহমতত উপনীত হৈছে। সেয়া হৈছে ৰূপবোৰ বৰ্ণেৰে নিৰ্মিত ক্ষুদ্ৰতম অৰ্থবহ গোট। ভাষাবিদ নিদাই ৰূপৰ সংজ্ঞা দিবলৈ গৈ কৈছে— Morphemes are the minimal meaningful units, which may constitute words or parts of words. (E.A. Nida : *Morphology*, 1957, 5th edition, p. I) আন এগৰাকী প্ৰসিদ্ধ ভাষাবিদ চি. এফ. হকেটৰ মতে— Morphemes are the smallest individually meaningful elements in the utterances of a language. (C.F.Hocket : *A course in Modern Linguistics*, 1976, 3rd edition, p. 123) ড° উপেন্দ্ৰনাথ গোস্বামীৰ মতে— কোনো বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিয়ে কোনো এটা অৰ্থ প্ৰকাশ কৰিলে তাক **ৰূপ** বোলে। (উপেন্দ্ৰনাথ গোস্বামী, *অসমীয়া ভাষাৰ ব্যকৰণ*, পৃ.৮)

আধুনিক ভাষাবিজ্ঞানীসকলে ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰক আকৃতি, প্ৰাকৃতি, প্ৰয়োগ, গাঁথনিক সম্পৰ্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি বিভিন্ন ধৰণে শ্ৰেণীবিভাগ কৰিছে যদিও এনে বিভাজন সকলো ভাষাৰ ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। এই বিভাজনবোৰৰ ভিতৰত মুক্ত আৰু বদ্ধ ৰূপৰ বিভাজনেই বেছি সৰলতৰ আৰু মুখ্য বিভাজন (লীলাৱতী শইকীয়া বৰা, *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*, পৃ. ৩)। অসমীয়া ভাষাৰ ৰূপবোৰকো দুটা ভাগত ভাগ কৰিব পাৰি—

- মুক্তৰূপ
- বদ্ধৰূপ

**মুক্তৰূপ ঃ**

সচৰাচৰ এটাতকৈ অধিক বিশিষ্ট ধ্বনিৰে ৰূপ গঠিত হয়। কোনো বিশিষ্ট ধ্বনি বা বিশিষ্টধ্বনিৰ সমষ্টিয়ে স্বাধীন ভাবে অৰ্থ প্ৰকাশকৰিব পাৰে বা যিবোৰ ৰূপ বা আকৃতিৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে, যিবোৰ আকৃতি উচ্চাৰণ বা উল্লেখ কৰা লগে লগে সিহঁতৰ নিজা অৰ্থ প্ৰকাশ পায়,সেইবোৰেই মুক্ত ৰূপ বা মুক্ত প্ৰকৃতি। যেনে— গৰু, বাঘ, হাতী, কুকুৰ, মানুহ,

Scanned with CamScanner

গছ, মাৰ, ধৰ, কৰ, যা ইত্যাদি। এই ৰূপবোৰ উচ্চাৰণ কৰিলেই সিহঁতৰ অৰ্থ আপোনা-আপুনি প্ৰকাশ পায়।

মুক্তৰূপৰ আন এক বৈশিষ্ট্য হৈছে— মুক্তৰূপবোৰ বাক্যত স্বতন্ত্ৰভাৱে ব্যৱহৃত হ'ব পাৰে। উদাহৰণস্বৰূপে— ৰাতুল খুউব ভাল ল'ৰা। ক্ৰিয়া পদ উহ্য হৈ থকা এই বাক্যটোৰ প্ৰতিটো ৰূপেই মুক্ত। ইহঁতৰ প্ৰত্যেকেই একো একোটা অৰ্থ প্ৰকাশ কৰি বাক্যটোত স্বাধীন ভাৱে ব্যৱহাৰ হৈছে।

**বদ্ধৰূপ ঃ**

কিছুমান বিশিষ্ট-ধ্বনি বা বিশিষ্ট-ধ্বনিৰ সমষ্টিৰে গঠিত ৰূপ অকলে উল্লেখ কৰিলে নিজা কোনো অৰ্থ প্ৰকাশ নাপায়; কোনো মুক্ত বা স্বাধীন ৰূপৰ আগত, পাচত বা মাজত অথবা যিকোনো এটা বা একাধিক ৰূপ বা প্ৰকৃতিৰ লগতসংযুক্ত হ'লেহে সিহঁতে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা লাভ কৰে। এইদৰে গাইগুটিয়াকৈ বা স্বাধীনভাৱে অৰ্থ প্ৰকাশ কৰিব নোৱাৰা অথবা আন কোনো ৰূপৰ সহায় নোলোৱাকৈ কোনো উল্লেখত বা বাক্যত অকলে অৰ্থপূৰ্ণভাবে ব্যৱহাৰ হ'ব নোৱাৰা ৰূপবোৰকে বদ্ধৰূপ (bound Morpheme) বোলা হয়। উদাহৰণ স্বৰূপে অসমীয়া ভাষাৰ -অনি, -উৱা, -এ, -ওঁ, -টো, আও, বে আদি ৰূপৰ কথা ক'ব পাৰি। এই ৰূপবোৰৰ অকোটা নিজা অৰ্থ আছে যদিও সিহঁতৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা নাই। অসমীয়া ভাষাত এইবিলাক বিভিন্ন মুক্তৰূপৰ আগত বা পাছত লগ লাগিলেহে ইহঁতে অৰ্থ প্ৰকাশৰ ক্ষমতা লাভ কৰে। যেনে— ধান + অনি = ধাননি, ধাৰ + উৱা = ধৰুৱা, মানুহ + এ = মানুহে, যা + ওঁ = যাওঁ, আও + বাট = আওবাট, বে' + আইন = বে'আইন ইত্যাদি। এনে বদ্ধৰূপবোৰক সাধাৰণভাৱে **সৰ্গ** (Affix)বোলা হয়।

বদ্ধৰূপবোৰ হ'ল যিবোৰ ৰূপ স্বতন্ত্ৰভাৱে ব্যৱহাৰ হ'ব নোৱাৰে। এই ৰূপবোৰে আন ৰূপৰ সংযোগতহে নতুন অৰ্থবাচক শব্দ গঠন কৰিব পাৰে। বদ্ধৰূপবোৰ স্বতন্ত্ৰভাৱে কোনো বাক্য বা বাক্যাংশত ব্যৱহাৰ হ'ব নোৱাৰে। এইবোৰে বাক্যৰ ভিতৰৰ পদসমূহৰ মাজত সম্পৰ্কহে স্থাপন কৰে আৰু বাক্যত ব্যৱহাৰৰ উপযোগী কৰি অৰ্থপ্ৰকাশক কৰি তোলে।পৃথিৱীৰ সকলো ভাষাতে মুক্তৰূপ আৰু বদ্ধৰূপৰ পৰিমান সমান নহয়। অসমীয়া ভাষাটো মুক্তৰূপেই বেছি যদিও বদ্ধৰূপৰ সংখ্যাও একেবাৰে কম নহয়। ৰূপতত্ত্ব বা প্ৰকৃতি বিজ্ঞানত এই মুক্ত আৰু বদ্ধৰূপবোৰৰ আকৃতি, প্ৰাকৃতি আৰু ইবিলাকৰ প্ৰয়োগ পদ্ধতি সম্পৰ্কে আলোচনা কৰা হয়। ৰূপ-নিৰ্ণয়ৰ প্ৰক্ৰিয়াও ৰূপতত্তৰ

Scanned with CamScanner

অন্তৰ্গত।

ভাষাৰ ৰূপতাত্ত্বিক গঠনৰ আলোচনালৈ যোৱাৰ আগতে আকৃতি (Morph), প্ৰাকৃতি (Morpheme), উপাকৃতি (Allomorph) সম্পৰ্কে স্পষ্ট হোৱাৰ প্ৰয়োজন। ভাষাৰ ৰূপতত্ত্ব আলোচনাৰ প্ৰধান সামগ্ৰী হ'ল 'আকৃতি'। এই আকৃতিসমূহৰ পৰাই 'প্ৰাকৃতি' আৰু 'উপাকৃতি' নিৰ্ণয় কৰা হয়।

**আকৃতি (Morph)ঃ**

আকৃতি বা ৰূপ ভাষা এটাৰ ক্ষুদ্ৰতম অৰ্থবহ গোট (Unit)। এই ৰূপ বা আকৃতি এক বা একাধিক বৰ্ণেৰে গঠিত হয়। আকৃতিবোৰক ভাষাৰ গঠনৰ নিয়ম অনুসৰি লগ লগাই শব্দ আৰু পদ গঠন কৰা হয়। এই পদসমূহক যথাস্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয় আৰু এই বাক্যৰ সহায়েৰে মনৰ ভাৱ আদান-প্ৰদান কৰা হয়। বাক্যত ব্যৱহৃত পদসমূহক খণ্ডিত কৰি আকৃতিসমূহ বাছি উলিওৱা হয়।

শব্দ হৈছে স্বয়ং সম্পূৰ্ণ নিজা অৰ্থ থকা এক উপাদান। ৰূপতত্ত্বৰ আলোচনাত শব্দ আৰু ৰূপ বা আকৃতিৰ মাজত পাৰ্থক্য আছে। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। প্ৰতিটো শব্দক অৰ্থৰ প্ৰতি লক্ষ্য ৰাখি একাধিক খণ্ডত বিভাজন কৰিব পাৰি। এনেদৰে বিভাজন কৰি পোৱা ক্ষুদ্ৰতম বিভাজিত গোটবোৰক ৰূপ বা আকৃতি বোলা হয়। John Lyons-ৰ মতে ভাষাত ব্যৱহৃত শব্দক যেতিয়া খণ্ডিত কৰা হয়, সেই খণ্ডিক কৰি উলিওৱা খণ্ডবোৰকে ৰূপ বা আকৃতি বোলা হয়। উদাহৰণস্বৰূপে বাঘটো, মানুহবোৰ, চৰাইজাক, জুইকুৰা আদি শব্দকেইটাক বাঘ + টো, মানুহ + বোৰ, চৰাই + জাক, জুই + কুৰা, আদি ক্ষুদ্ৰতম অথচ অৰ্থবহ খণ্ডত ভাঙিলত বাঘ, মানুহ, চৰাই, জুই, টো, বোৰ, জাক, কুৰা আদি ৰূপবোৰ পোৱা গৈছে। ইহঁতক ইয়াকৈ আৰু সৰু গোটত ভাগ কৰিব নোৱাৰি। ইহঁতৰ প্ৰত্যেকৰে একোটা অৰ্থ আছে। ইহঁত প্ৰতেকেই একো একোটা আকৃতি।

**প্ৰাকৃতি (Morpheme) ঃ**

বৰ্ণতাত্ত্বিক আলোচনাৰ মৌলিক একক যেনেকৈ বৰ্ণ, ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক তেনেকৈ প্ৰাকৃতি (Morpheme)। (ড° গোলোকচন্দ্ৰ গোস্বামী, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, পৃ. ৮৪) ভাষাৰ এক বা একাধিক বৰ্ণেৰে গঠিত আকৃতিসমূহৰ ধ্বনিগত আৰু অৰ্থগত সাদৃশ্য বিচাৰ কৰি একে ধ্বনিযুক্ত আৰু অৰ্থবাহক ৰূপবোৰক শ্ৰেণীবদ্ধ কৰা হয়। এনেদৰে শ্ৰেণিবদ্ধ কৰা ৰূপ বা আকৃতিসমূহৰ প্ৰয়োগ বিশ্লেষণ কৰি বিৰোধ আছে নে নাই অৰ্থাৎ একে

Scanned with CamScanner

পৰিৱেশত ব্যৱহাৰ কৰিলে অৰ্থৰ শ্ৰেণী পৰিৱৰ্তন কৰিব পাৰে নে নোৱাৰে তাক বিশ্লেষণ কৰা হয়। বিৰোধ নথকা ৰূপবোৰক একোটা গোট কৰি প্ৰাকৃতি বুলি চিনাক্ত কৰা হয়। প্ৰাকৃতিৰ সদায় একোটা নিজা অৰ্থ থাকে। সেইবাবেই ভাষাবিজ্ঞানক প্ৰাকৃতিক বৰ্ণেৰে নিৰ্মিত অবিভাজ্য অৰ্থাৎ ক্ষুদ্ৰতম অৰ্থযুক্ত ৰূপ বোলা হয়। এটা উদাহৰণ স্বৰূপে পেহীয়েকহঁতলৈ খবৰ দিয়া হৈছে। — এই বাক্যটোত পেহীয়েকহঁতলৈ এটা পদ। ইয়াৰ অৰ্থ পৰীক্ষা কৰিলে দেখা যায়, কাৰোবাৰ লগত সম্বন্ধ থকা (নাম পুৰুষবাচক -এক) দেউতাকৰ ভনীয়েক (স্ত্ৰীলিংগ বাচক -ঈ), ভনীয়েক এজনী নহয়, একাধিক, অথবা ভনীয়েকৰ লগৰ বা পৰিয়ালৰ একাধিক ব্যক্তি (বহুবচন বাচক -হঁত) এই লোকসকললৈ (নিমিত্তাৰ্থ -লৈ) —এই পাঁচটা অৰ্থ সোমাই আছে। পেহীয়েকহঁতলৈ পদটোক উক্ত পাঁচোটা অৰ্থৰ লগত সংগতি ৰাখি মাহ্-ঈ-এক্-হঁত্-অলৈ—এই পাঁচটা খণ্ডত ভগাব পাৰি। সেইকাৰণেই এই পাঁচোটা খণ্ডৰ প্ৰত্যেকটোৱেই একো একোটাহঁত প্ৰাকৃতি। প্ৰাকৃতিৰ দুটা প্ৰধান ভাগ আছে— মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি। কিছুমান প্ৰাকৃতি স্বতন্ত্ৰ ভাবে মাতিলে বা উল্লেখ কৰিলেই সেইবোৰৰ নিজা অৰ্থ বুজি পোৱা যায়। যেনে— মানুহ, গৰু, কুকুৰ, গছ, চৰাই, পহু, হৰিণ, খা, লিখ, কৰ, পঢ় আদি প্ৰকৃতিৰ উচ্চাৰণ কৰিলেই অৰ্থ মনলৈ আহে। এনেদৰে গাইগুটিয়া ভাবে মাতিলে ততালিকে অৰ্থ বুজি পোৱা ৰূপবোৰক মুক্ত প্ৰাকৃতি (Free Morpeme) বোলে। আনহাতে কিছুমান প্ৰাকৃতি অকলে বা গাইগুটিয়াকৈ উল্লেখ কৰিলে সিহঁতৰ অৰ্থ স্পষ্টকৈ ধৰিব নোৱাৰি বা প্ৰকাশ নাপায়, বৰঞ্চ দুটা বা ততোধিক প্ৰাকৃতি সংযুক্ত হ'লেহে অৰ্থ বুজি পোৱা যায় বা অৰ্থ প্ৰকাশ কৰিব পাৰে। এনে প্ৰাকৃতিক বদ্ধ প্ৰাকৃতি (Bound Morpeme) বোলে। যেনে, মই গাখীৰ খাওঁ —ইয়াত খাওঁ পদৰ খা প্ৰাকৃতিটোৰ অৰ্থ সুকীয়াকৈ ধৰিব পাৰি, অৰ্থাৎ ই মুক্ত প্ৰাকৃতি; কিন্তু ইয়াৰ লগতে লগা -ওঁ প্ৰাকৃতিটোৱে মই বা আমি অৰ্থাৎ উত্তম পুৰুষ বুজায় সেই কথাটো এনেই ধৰিব নোৱাৰি; ধাতুটোৰ লগত যুক্ত হ'লেহে ধৰিব পাৰি। এতেকে ই এটা বদ্ধ প্ৰাকৃতি। সেইদৰে— আও-, অনা, বে-, -ই-আল, -ইছ-ইল-আ আদিবোৰ বদ্ধ প্ৰাকৃতি।

**মূল ৰূপ বা প্ৰকৃতি (Root Morpheme)ঃ**

পৃথিৱীৰ সকলো ভাষাতে মুক্ত ৰূপ আৰু বদ্ধ ৰূপৰ প্ৰয়োগ একে নহয় যদিও বিছিভাগতে সাদৃশ্য পৰিলক্ষিত হয়। সাধাৰণতে সকলো ভা,াতে এনে কিছুমান ৰূপ বা প্ৰাকৃতি আছে যাক কেন্দ্ৰ কৰি বা আশ্ৰয় কৰি তাৰ আগত বা পাছত নানা ৰূপ যোগ হৈ বিভন ভিন অৰ্থবাচক ৰূপৰ সৃষ্টি কৰিব পাৰে। এই কেন্দ্ৰীয় ৰূপবোৰকে মূল ৰূপ বা প্ৰকৃতি () বোলে। পৃথিৱীৰ সকলো

Scanned with CamScanner

ভাষাতে এই প্রকৃতিবোৰ একে নহয়। কিছুমান ভাষাত এইবোৰ মুক্ত আৰু কিছুমানত বদ্ধ। অসমীয়া, ইংৰাজী আদি ভাষাত মুক্ত আৰু বদ্ধ দুয়োধৰণৰ প্ৰকৃতিয়েই প্ৰয়োগ হোৱা দেখা যায় যদিও মুক্ত প্ৰকৃতিৰ প্ৰয়োগ তুলনামূলক ভাৱে সৰ্বাধিক।

প্ৰকৃতিৰ শ্ৰেণীবিভাগ ঃ প্ৰকৃতি বা মূল প্ৰাকৃতিক ৰূপগত আৰু সাধনগত বৈশিষ্ট্য বিচাৰ কৰি বিভিন্ন প্ৰকাৰেশ্ৰেণীবিভাগ কৰা হয়। প্ৰকৃতিবোৰৰ প্ৰকৃতি াৰু প্ৰয়োগ বৈচিত্ৰ্যলৈ লক্ষ্য কৰি অসমীয়া ভাষাত এইবোৰক ঘাইকৈ তিনিটা ভাগত ভগাব পাৰি। সেয়া হৈছে—

ক) নাম প্ৰকৃতি বা প্ৰাতিপদিক (Nominal বা substantive root Morpheme)

খ) ধাতু প্ৰকৃতি (Verbal root morpheme)

গ) অব্যয় প্ৰকৃতি (absolute বা indeclinable root morpheme)

যিবোৰ প্ৰকৃতিৰ পৰা বিভিন্ন কাৰকত ৰূপ কৰিব পৰা কেৱল নামশব্দ বা নাম পদহে তৈয়াৰ হয় সেইবোৰেই হৈছে নাম প্ৰকৃতি। যেনে— পশু, পক্ষী, মানুহ, গছ, লতা, ফুল, আম, সি, তাই, ভাল, বেয়া ইত্যাদি। অসমীয়া ভাষাত নাম প্ৰকৃতিবোৰ সাধাৰণতে মুক্ত ৰূপ।

যিবোৰ প্ৰকৃতিৰ পৰা কেৱল ধাতু শব্দ, ক্ৰিয়া পদ আৰু কৃদন্ত ৰূপহে সৃষ্টি হয় সেবিোৰেই হৈছে **ধাতু প্ৰকৃতি**। যেনে— লিখ্, কৰ্, পঢ়্, খা, যা, ধৰ্, শুন ইত্যাদি।

যিবোৰ প্ৰকৃতিৰ পৰা অব্যয়বোৰ পোৱা যায় সেইবোৰেই **অব্যয় প্ৰকৃতি**। অসমায়া ভাষাত আৰু, বাৰু, বা, যদি, তথাপি, অথচ, খাটাং ইত্যাদি অব্যয় প্ৰকৃতি।

এই তিনিটা প্ৰকৃতিৰ উপৰিও গোলোকচন্দ্ৰ গোস্বামীয়ে **নাম ধাতু প্ৰকৃতি** নামে আৰু এবিধ প্ৰকৃতিৰ কথা উল্লেখ কৰিছে। যিবোৰ প্ৰকৃতিয়ে কোনো সৰ্গ বা প্ৰত্যয় নলগোৱাকৈয়ে নামশব্দ বা ধাতুশব্দ ৰূপে বিভক্তি গ্ৰহণ কৰি নামপদ বা ক্ৰিয়াপদ হ'ব পাৰে তেনেবোৰ প্ৰকৃতিক নামধাতু প্ৰকৃতি বোলে। (গোলোকচন্দ্ৰ গোস্বামী, *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*, পৃ. ৮৭)

**সৰ্গ (Affix) ঃ**

মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত যিবোৰ প্ৰাকৃতি যুক্ত হৈ অৰ্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্ৰাকৃতিবোৰকে সৰ্গ বোলে। অসমীয়া ভাষাৰ বদ্ধৰূবোৰকে সাধাৰণতে সৰ্গ বোলা হয়।

বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাৰ সৰ্গবোৰক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি। অৱস্থানগত সৰ্গ আৰু গুণগত বা কাৰ্যগত সৰ্গ।

Scanned with CamScanner

**সৰ্গৰ অৱস্থানগত বিভাগ ঃ**

প্ৰকৃতিৰ দৰে সৰ্গবিলাককো বিভিন্ন সূত্ৰ খটুৱাই বেলেগে বেলেগে শ্ৰেণীবিভাগ কৰা হয়। পদগঠনত বদ্ধৰূপ বা সৰ্গবোৰৰ প্ৰয়োগৰ অৱস্থানলৈ লক্ষ্য ৰাখি প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে—

ক) উপসৰ্গ (Prefix)

খ) পৰসৰ্গ (Suffix)

গ) অন্তঃসৰ্গ (Infix)

**উপসৰ্গ ঃ** যিবোৰ সৰ্গ বা বদ্ধৰূপ মূল বা প্ৰকৃতিৰ আগত বহি ভিন্ন অৰ্থবাচক শব্দ বা ৰূপ সাধন কৰে সেইবোৰেই উপসৰ্গ। উপসৰ্গ সংযোগৰ পাচত মুক্তৰূপৰ অৰ্থৰ সলনি হয়। এই উপসৰ্গবোৰক পূৰ্বপ্ৰত্যয় বুলিও জনা যায়। সংস্কৃত ভাষাত কুৰিটা উপসৰ্গ পোৱা যায়। অসমীয়া ভাষাত সংস্কৃতৰ কুৰিটা উপসৰ্গৰ উপৰিও কিছুমান পূৰ্ব প্ৰত্যয় বা উপসৰ্গৰ ব্যৱহাৰ পোৱা যায়। যেনে—

| | |
|---|---|
| অ- | অসময়, অসমান |
| অও- | আওবাট, আওমৰণ |
| অনা- | অনাহক, অনাঅসমীয়া |
| বে’- | বে’আইনী, বে’চৰকাৰী |
| বিনা- | বিনাদুখ, বিনাশ্ৰম |
| বি- | বিপাক, বিজাত |
| সহ- | সহকৰ্মী |
| ন- | নহয়, নকৰে |
| সু- | সুদিন, সুলেখক, সুনাম |
| নি- | নিমাত, |
| গৰ- | গৰমিল, গৰহাজিৰ |
| বদ- | বদনাম, বদগুণ, বদহজম ইত্যাদি |

**পৰসৰ্গ ঃ** যিবোৰ সৰ্গ বা বদ্ধৰূপক মূল বা প্ৰকৃতিৰ পিছফালে লগলগাই কোনো নতুন শব্দ অথবা ৰূপ সাধন কৰা হয়, সেইবোৰেই পৰসৰ্গ বা পৰপ্ৰত্যয়। পৃথিৱীৰ প্ৰয়বোৰ ভাষাতেই পূৰ্বপ্ৰত্যয়তকৈ

Scanned with CamScanner

পৰপ্ৰত্যয়ৰ ব্যৱহাৰ বেছি। এই পৰসৰ্গৰ প্ৰয়োগ বিশ্লেষণেই ৰূপতত্ত্বৰ মূল কথা। অসমীয়া ভাষাত বহুবচনাত্মক প্ৰত্যয়, লিংগবাচকতা, নিৰ্দিষ্টবাচকতা, অনিৰ্দিষ্টবাচকতা, কৃৎপ্ৰত্যয়, তদ্ধিত প্ৰত্যয়, জোৰবাচক, স্বাৰ্থিক প্ৰত্যয়, কাৰকবাচক বিভক্তি, ক্ৰিয়াবাচক বিভক্তি আদি সংযোগ কৰি ৰূসাধন কৰা হয়। যেনে— মানুহ-টো(নিৰ্দিষ্টতাবাচক), মানুহ-বোৰ(বহুবচনাত্মক), মানুহ-ৰ(সম্বন্ধবাচক বিভক্তি), ধান-অনি(তদ্ধিত প্ৰত্যয়) ইত্যাদি।

পৰসৰ্গবোৰ ইটোৰ পাছত সিটোকৈ লেঠাৰি লাগি কেইবাটাও একেলগে বহিব পাৰে। যেনে— পেহীয়েকহঁতলৈ। এই শব্দটোত মূল ৰূপ বা প্ৰকৃতি পেহী; ইয়াৰ পিছত ক্ৰমে একে লেঠাৰিয়ে লগ লগা -এক, -হঁত, -অ-লৈ এই তিনিওটা বদ্ধৰূপেই পৰসৰ্গ বা পৰপ্ৰত্যয়।

অন্তঃসৰ্গ ঃ যিবোৰ বদ্ধৰূপ মুক্তৰূপৰ আগত বা পিছত নবহি মুক্তৰূপ বা প্ৰকৃতিটোক দুভাগ কৰি তাৰ মাজত সোমাই মুক্তৰূপটোৰ পূৰ্বৰ অৰ্থৰ সলনি কৰি নতুন ৰূপৰ সৃষ্টি কৰে সেইবোৰেই অন্তঃসৰ্গ। সংস্কৃত ভাষাত অন্তঃসৰ্গৰ উদাহৰণ পোৱা যায় যদিও অসমীয়া ভাষাত অন্তসৰ্গ পোৱা নাযায়।

**সৰ্গ বা বদ্ধৰূপৰ গুণগত বিভাজন ঃ**

ভাষাৰ বদ্ধৰূপ বা সৰ্গবোৰক গুণগত বা কাৰ্যৰ ভিত্তিত প্ৰধানভাৱে দুটা ভাগত ভাগ কৰা হয়—

- শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয়
- পদ সাধনমূলক সৰ্গ বা বিভক্তি

**শব্দসাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয়**

শব্দ সাধনমূলক ৰূপবোৰে নতুন অৰ্থবাচক শব্দ বা ৰূপৰ গঠন কৰিব পাৰে। পদ সাধনমূলক ৰূপবোৰে বাক্যত ব্যৱহৃত শব্দবোৰক ব্যৱহাৰৰ উপযুক্ত কৰি তোলে। যিবোৰ সৰ্গই মূল শব্দ বা ধাতুৰ আগত বা পাছত বহি ভিন্ন অৰ্থবাচক শব্দ সাদন কৰে, সেইবোৰেই সাধাৰণভাৱে শব্দসাধনমূলক সৰ্গ। বচন, লিঙ্গ, কাৰক-বিভক্তি আদিৰ বাবে ৰূপৰ সাধন কৰিবলৈ পদ সাধনমূলক বদ্ধৰূপবোৰ যোগ কৰা হয়।

শব্দ সাধনমূলক সৰ্গ সৰ্গৰ তিনি প্ৰকাৰৰ পোৱা যায়—

Scanned with CamScanner

ক) পূৰ্বপ্ৰত্যয়

খ) কৃৎ প্ৰত্যয়

গ) তদ্ধিত প্ৰত্যয়

**পূৰ্ব-প্ৰত্যয় ঃ** ৰূপকাত্মক প্ৰত্যয়বোৰ আঁতৰালে যি থাকে সেয়াই শব্দমূল ৰূপৰ আগত যি বহে তাকে পূৰ্ব-প্ৰত্যয় বোলে। (ড° ৰমেশ পাঠক, *ভাষা-বিজ্ঞানৰ ভূমিকা,* পৃ.১২৯) অসমীয়া ভাষাত এনে পূৰ্ব প্ৰত্যয়ৰ ব্যৱহাৰ আছে। যেনে—

| | |
|---|---|
| বে-দখল | পৰা-জয় |
| বে-নাম-ঈ | অপ-মান |
| আও-বাট | দুৰ-নাম |
| অনা-বৃষ্টি | অভি-মান |

**কৃৎ-প্ৰত্যয় ঃ** যিবোৰ প্ৰত্যয় ধতুৰ পাছত যোগ হৈ ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ সৃষ্টি কৰে সেইবোৰেই কৃৎ প্ৰত্যয়। যেনে—

কৰ্—আ = কৰা

পঢ়্—আ = পঢ়া

কৰ্—ই = কৰি

খা—ওঁতে = খাওঁতে

ৰাখ্—ঈয়া = ৰখীয়া,

ৰান্ধ্—অনি = ৰান্ধনি, ইত্যাদি।

**তদ্ধিত-প্ৰত্যয় ঃ** যিবোৰ প্ৰত্যয় প্ৰাথমিক প্ৰাতিপদিকৰ পাছত যোগ হৈ ভিন্ন অৰ্থবাচক নতুন নতুন শব্দ সৃষ্টি কৰে সেইবোৰেই তদ্ধিত প্ৰত্যয়। যেনে—

ফুল—অনি = ফুলনি

ফুল—আম = ফুলাম

কাঠ—অনি = কাঠনি

ধান—অনি = ধাননি

মৰম—ইয়াল = মৰমিয়াল

কপাহ—ঈ = কপাহী

Scanned with CamScanner

খেতি—অক = খেতিয়ক

**ৰূপসাধনমূলক সৰ্গ বা বিভক্তি**

ইংৰাজী Inflection শব্দৰ অসমীয়া প্ৰতিশব্দ হিচাপে 'পদসাধন' শব্দটো ব্যৱহাৰ কৰা হৈছে। Handbook of Morphology-ৰ মতে— শব্দৰ গঠনৰ প্ৰক্ৰিয়াটোৰ লগত ৰূপসাধন বা পদসাধন প্ৰক্ৰিয়াটো জড়িত হৈ আছে। এটা ৰূপ বা অৰ্থপূৰ্ণ গোট এটা স্বতন্ত্ৰ অৰ্থ প্ৰকাশ কৰিব পাৰে আৰু আৰু কিছুমান ৰূপ বৈয়াকৰণিকভাৱে সংযুক্ত হৈ এটা অৰ্থবাচক ৰূপ সৃষ্টি কৰে। এটা শব্দৰ স্বতন্ত্ৰভাৱে থকা অৰ্থটো বাক্যত একেধৰণেৰে ব্যৱহাৰ হ'ব নোৱাৰিবও পাৰে। তেনেক্ষেত্ৰত বাক্যত ব্যৱহাৰৰ উপযোগী ৰূপ এটা সৃষ্টি কৰি ল'বলগীয়া হয়।

কিছুমান গাইগুটীয়া পদ সংযোগ কৰি বাক্য গঠন কৰা হয়। সাধাৰণতে শব্দৰ লগত সৰ্গ যোগ কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। এই বাক্যত ব্যৱহাৰৰ উপযোগী শব্দবোৰকে পদ বোলে। বাক্যৰ গঠনৰীতি অনুসৰি পদবোৰৰ ৰূপান্তৰ ঘটে। এই ৰূপান্তৰ ঘটা পদবোৰক **সব্যয় পদ** বোলে। যিবোৰ সৰ্গৰ সংযোগে সব্যয় পদ গঠন কৰে আৰু পদৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰে সেইবোৰ সৰ্গকে বিভক্তি বোলে। যেনে— মানুহে, মানুহক, মানুহৰ, মানুহলৈ, মানুহত আদি ৰূপ বেলেগ বেলেগ বাক্যত আমি পদ ৰূপে পাব পাৰোঁ। মানুহ্ —এই নাম শব্দটোৰ লগত ক্ৰমে -এ, -অক্, -অৰ্, -অলৈ, আৰু -অত —এই সৰ্গবোৰ লগত লাগিছে আৰু ৰূপৰ পৰিৱৰ্তন সাধিত কৰিছে। গতিকেই এই সৰ্গকেইটা প্ৰত্যেকেই একো একোটাহঁত বিভক্তি।

ঠিক তেনেদৰে মই কৰোঁ, তুমি কৰা/তই কৰ, সি কৰে এই তিনিটা বাক্যত কৰ ধাতুৰ লগত -ওঁ, -আ/-অ, আৰু -এ সৰ্গ লগ লাগি ক্ৰমে কৰোঁ, কৰা/কৰ, কৰে— এই ক্ৰিয়া পদ কেইটা গঠিত হৈছে। এতেকে -ওঁ, -আ/-অ, আৰু -এ এইবোৰ একো একোটাহঁত পদ সাধনৰ বিভক্তি।

**ৰূপতত্ত্বৰ আলোচনাৰ বৈয়াকৰণিক শ্ৰেণী**

সাধাৰণতে শব্দসমূহ বাক্যত প্ৰয়োগ হোৱাৰ মাত্ৰকে ইহঁত নিৰ্দিষ্ট ভূমিকা অৱতীৰ্ণ হয়। মূল বা প্ৰকৃতিৰ লগত সৰ্গবোৰক সংযোগ কৰি শব্দসাধন আৰু পদ সাধন আৰু পদ সাধন কৰা হয়। সাধিত পদবোৰক যথা স্থানত বহুৱাই বাক্য সৃষ্টি কৰা হয়। আগতেই উল্লেখ কৰা হৈছে যে এই বাক্যত প্ৰয়োগ কৰা শব্দবোৰকে পদ বোলা হয়। ভাষাত ব্যৱহাৰ হোৱা পাঁচবিধ প্ৰধান পদৰ কথা

Scanned with CamScanner

আমি জানো। এই প্ৰধান পদসমূহ হৈছে— বিশেষ্য, বিশেষণ, সৰ্বনাম, ক্ৰিয়া আৰু অব্যয়। এই পদবোৰৰ লগত বদ্ধৰূপ (প্ৰত্যয় আৰু বিভক্তি)বোৰ সংযোগ কৰি বিভিন্ন ধৰণৰ নতুন নতুন ৰূপৰ সৃষ্টি কৰা হয়। এনে পদবোৰৰ বিশেষ্য আৰু সৰ্বনাম পদৰ লগত যুক্ত হোৱা বিভক্তিক **শব্দবিভক্তি** আৰু ক্ৰিয়া পদৰ লগত যোগ হোৱা বিভক্তিক **ক্ৰিয়াবিভক্তি** বোলে। বচন, লিংগ, কাল, কাৰক, ভাব, পুৰুষ, আদিয়ে শব্দৰূপ আৰু ক্ৰিয়াৰূপৰ বিচিত্ৰতাক নিয়ন্ত্ৰণ কৰে। সেয়ে বচন, লিংগ, পুৰুষ, কাৰক, কাল, ভাৱ আদিক ভাষাৰ ৰূপতাত্ত্বিক আলোচনাৰ বৈয়াকৰণিক শ্ৰেণী বা গোটত সামৰিব পাৰি। অৱশ্যে এনে দিশবোৰ সকলো ভাষাতে সমানে ব্যাকৰণগত বিষয় নহয়।

**বচন** ঃ 'বচন' সংস্কৃত তৎসম শব্দ। ইয়াৰ সাধাৰণ অৰ্থ 'কথা' বা 'উক্তি'। কিন্তু ব্যাকৰণগত বা ভাষাৰ আলোচনাত ই নামপদৰ সংখ্যা বুজায়, যাক ইংৰাজীত number বুলি কোৱা হয়। সংস্কৃতত নামপদৰ সংখ্যাৰ ধাৰণা দিয়া বচন তিনিটা ঃ একবচন, দ্বিবচন আৰু বহুবচন। একবচনে এটা, দ্বি বচনে দুটা আৰু বহুবচনে দুটাতকৈ অধিক সংখ্যাৰ ধাৰণা দিয়ে। সংস্কৃত আৰু হিন্দী ভাষাত কৰ্তাৰ বচন অনুসৰি শব্দৰ ৰূপৰ সলনি হোৱাৰ উপৰিও বাক্যৰ ক্ৰিয়াৰূপটোও সলনি হয়। যেনে—

| | | |
|---|---|---|
| সংস্কৃত ঃ | নৰঃ খাদতি | মানুহে খায়। |
| | নৰৌঃ খাদতঃ | মানুহ দুজনে খায়। |
| | নৰাঃ খাদন্তি | মানুহবোৰে খায়। |

কিন্তু অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়। অসমীয়া ভাষাত বচন দুই প্ৰকাৰৰ— একবচন আৰু বহুবচন। একবচনৰ ৰূপবোৰৰ লগত বহুবচনাত্মক প্ৰত্যয় যোগ কৰি বচন নিৰ্ণয় কৰা হয়। উল্লেখযোগ্য যে কৰ্তাৰ লগতহে বহুবচনাত্মক প্ৰত্যয় যোগ কৰা হয়। অসমীয়া বচনত একবচনাত্মক প্ৰাকৃতি আৰু বহুবচনাত্মক প্ৰাকৃতি সংযোগ কৰা হয়। বিভিন্ন প্ৰকৃতিৰ বস্তু বুজাবলৈ অসমীয়া বিশেষ্য শব্দৰ পাছত ভিন ভিন নিৰ্দিষ্টতাবাচক প্ৰত্যয় যোগ কৰা হয়। যেনে— ল'ৰাটো, মানুহজন, ছোৱালীজনী, নদীখন, বহীখন, গছজোপা, জুইকুৰা, চুলিকোচা, পানখিলা ইত্যাদি।

একেদৰে বহুবচন বুজাবলৈ বহুবচনাত্মক প্ৰত্যয় বা ৰূপ সংযোগ কৰা হয়। যেনে— গৰুবোৰ, মানুহবিলাক, ল'ৰাহঁত, ছাত্ৰসকল, গৰুজাক ইত্যাদি।

অসমীয়া ভাষাত বচন ব্যাকৰণগত নহয় বাবেইবিশেষণ পদৰ পৰা বিশেষ্য বা বিশেষ্য পদৰ পৰা ক্ৰিয়া পদৰ বা ক্ৰিয়া পদৰ পৰা বিশেষ্য বা সৰ্বনাম পদৰ বচন জনাৰ উপায় নাই।

Scanned with CamScanner

যেনে— মানুহ আহিছে। এই পদটো কি বচনত আছে সেয়া বাক্যটোৰ গাঁথনিৰ পৰা জনা নাযায়। আনহাতে মানুহ পদটোৰ অৰ্থৰ পৰাও সেয়া স্পষ্ট নহয়। কাৰণ মানুহ এজনো আহিব পাৰে বা অসংখ্য মানুহো আহিব পাৰে।

লিংগ ঃ বচনৰ দৰে লিংগও অসমীয়া ব্যাকৰণত এটা মন কৰিবলগীয়া বিষয়। যিবোৰ ৰূপে পুৰুষ আৰু স্ত্ৰী অথবা প্ৰাণী বা অপ্ৰাণীৰ ধাৰণা দিয়ে তাকে সাধাৰণতে লিংগ বোলা হয়। প্ৰায়বোৰ ভাষাতে লিংগ ঘাইকৈ দুটা— পুংলিংগ আৰু স্ত্ৰীলিংগ। এই দুটাৰ উপৰিও কিছুমান ভাষাত ক্লীৱ লিংগ আৰু কিছুমানত উভয়লিংগ ৰূপো পোৱা যায়।

ভাষাভেদে লিংগ প্ৰকৰণ ভিন ভিন ধৰণৰ হয়। বচনৰ দৰেই লিংগৰ ক্ষেত্ৰতো লিংগনিৰপেক্ষ ৰূপৰ প্ৰয়োগ আছে। অসমীয়া ভাষাত লিংগ স্বাভাৱিক আৰু অৰ্থগত। অসমীয়াত যিবোৰ জীৱ-জন্তুৰ স্বাভাৱিক লিংগভেদ পোৱা যায়, প্ৰাণী বুজোৱা সেইবোৰ শব্দৰ কিছুমানৰ তিনিটাকৈ ৰূপ পোৱা যায়— পুংলিংগ, স্ত্ৰীলিংগ আৰু এটা মতা আৰু মাইকী উভয়কে বুজোৱা লিংগ নিৰপেক্ষ ৰূপ। এই নিৰপেক্ষ ৰূপটোকে উভয়লিংগ বুলি কোৱা হৈছে। উদাহৰণ স্বৰূপে— বাছত বহুত মানুহ আহিছে —এই বাক্যটোত মানুহ বোলোতে মতা আৰপ মাইকী উভয়কে বুজাইছে। বাছখনৰ মানুহ সকলোবোৰ মতা নে সকলোবোৰ মাইকী তাৰ সম্ভেদ পোৱা নাযায়। সেইদৰে বাঘ, ভালুক, গৰু, কুকুৰ, হাতী, পোক, পৰুৱা ইত্যাদি লিংগ নিৰপেক্ষ ৰূপ।

আগতেই উল্লেখ কৰা হৈছে যে অসমীয়া ভাষাৰ লিংগ ব্যাকৰণগত বিষয় নহয়। কাৰণ লিংগই ব্যাকৰণৰ চাহিদা পূৰণ নকৰে, কেৱল পুৰুষ বুজোৱা শব্দক ৰূপতাত্ত্বিক পদ্ধতিৰে স্ত্ৰীবাচক ৰূপ কৰা হয়।

অসমীয়া ভাষাত লিংগ নিৰ্ণয় কৰিবলৈ প্ৰধানকৈ তিনিটা উপায় অৱলম্বন কৰা হয়—

ক) পুংলিংগ আৰু স্ত্ৰীলিংগবাচক ভিন্ ভিন্ শব্দ প্ৰয়োগ কৰি লিংগ নিৰ্ণয়—

| পুং | স্ত্ৰী |
|---|---|
| ভাই | ভনী |
| স্বামী | পত্নী |
| পুৰুষ | মহিলা |
| ল'ৰা | ছোৱালী |

খ) পুংলিংগবাচক আৰু স্ত্ৰীলিংগবাচক শব্দৰ পিছত নিৰ্দিষ্টতাবচত ৰূপ প্ৰয়োগ কৰি লিংগভেদ

Scanned with CamScanner

কৰা হয়। যেনে—

| পুং | স্ত্ৰী |
|---|---|
| ল'ৰাটো | ছোৱালীজনী |
| ল'ৰাজন | ছোৱালীজনী |
| গৰুটো | গৰুজনী |
| মানুজটো | মানুহজনী |

গ) পুংলিংগ আৰু স্ত্ৰীলিংগবাচক প্ৰত্যয়— -ঈ, -অনী, নী আৰু -ৰী প্ৰয়োগ কৰি লিংগ ভেদকৰা হয়। এইবোৰ ৰূপসাপেক্ষ। স্ত্ৰী প্ৰত্যয় যোগ হোৱাৰ পিছত মূল ৰূপৰ আকৃতি সলনি হয়। যেনে—

**-ঈ** প্ৰত্যয়ৰ সহযোগত

| পুং | স্ত্ৰী |
|---|---|
| নিলীজ | নিলাজী |
| বান্দৰ | বান্দৰী |
| বুঢ়া | বুঢ়ী |
| পেহা | পেহী |
| মুগা | মুগী ইত্যাদি |

**-অনী** প্ৰত্যয়ৰ সহযোগত—

| পুং | স্ত্ৰী |
|---|---|
| কমাৰ | কমাৰনী |
| ফুকন | ফুকননী |
| ভকত | ভকতনী ইত্যাদি |

**-নী** প্ৰত্যয়ৰ সহযোগত—

| পুং | স্ত্ৰী |
|---|---|
| কলিতা | কলিতানী |
| বৰুৱা | বৰুৱানী |
| নাতি | নাতিনী |
| ধোবা | ধুবুনী |

Scanned with CamScanner

| | |
|---|---|
| চোৰ | চুৰুনী |
| বাঘ | বাঘিনী ইত্যাদি। |

**-ৰী** প্ৰত্যয়ৰ সহযোগত—

| **পুং** | **স্ত্ৰী** |
|---|---|
| কলা | কালৰী |
| ডেকা | ডেকেৰী ইত্যাদি। |

**কাৰক Case ঃ** ৰূপতাত্ত্বিক আলোচনাৰ আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে কাৰক। প্ৰায়বিলাক ভাষাতে বাক্যত ব্যৱহৃত বিশেষ্য আৰু সৰ্বনাম পদে ক্ৰিয়াৰ লগত সম্বন্ধ স্থাপন কৰে। ইয়াকে কাৰক বোলে। বাক্যত ব্যৱহৃত শব্দবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক স্থাপন কৰিবলৈ কাৰকৰ প্ৰয়োজন। অসমীয়া ভাষাত কাৰক ছয় প্ৰকাৰৰ— কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ কাৰক। কাৰক নিৰ্ণয়াৰ বাবে বিশেষ্য বা সৰ্বনাম পদৰ লগত -এ/-ই, -ক/-অক, -ৰে, -লৈ/-অলৈ, -ৰ, -ত আদি বদ্ধৰূপবোৰ লগ লগাই বিভিন্ন কাৰকৰ অৰ্থ প্ৰকাশ কৰে। যেনে— ৰামে খায়, ৰামক দিছোঁ, ৰামেৰে (ৰামৰ হতুৰাই) কৰোঁৱাইছোঁ, ৰামলৈ আনিছোঁ, ৰামৰপৰা খাইছোঁ, ৰামত আস্থা নাই ইত্যাদি। —ইয়াত খায়, দিছোঁ, কৰোঁৱাইছোঁ, আনিছোঁ, খাইছোঁ, আস্থা নাই আদি ক্ৰিয়াৰ সৈতে 'ৰাম' বিশেষ্যৰ সম্পৰ্ক স্থাপন কৰা হৈছে।

কেতিয়াবা আকৌ ক্ৰিয়াপদে বিশেষ্য পদৰ লগত সম্বন্ধ স্থাপন নকৰি বিশেষ্য আৰু বিশেষ্যৰ মাজতহে সম্পৰ্ক স্থাপন কৰে। এনে সম্বন্ধ স্থাপনক সম্বন্ধপদ বুলি কোৱা হয়। উদাহৰণস্বৰূপে— মোৰ কলম, ৰামৰ দেউতাক, হৰিৰ কিতাপ ইত্যাদি। ইয়াত বিশেষ্যৰ লগত বিশেষ্যৰ সম্বন্ধ স্থাপিত হৈছে।

**কাল (Tense)ঃ** ৰূপতাত্ত্বিক আলোচনাক ব্যাকৰণগত দিশৰ ভিতৰত কাল এক উল্লেখযোগ্য দিশ। কালে কোনো কাৰ্যসম্পাদন হোৱাৰ সময় নিৰ্দেশ কৰে। সাধাৰণতে কাল তিনি প্ৰকাৰৰ— অতীত, বৰ্তমান আৰু ভৱিষ্যত কাল। ক্ৰিয়াৰ কাৰ্য অতীতত সম্পাদিত হৈছিল নে বৰ্তমান সম্পাদিত হৈছে নে ভৱিষ্যতে সম্পাদিত হ'ব সেয়া বুজাবলৈ মুক্তৰূপ বা ধাতুৰূপৰ লগত বদ্ধৰূপ সংযোগ কৰা হয়। ধাতুৰ লগত সংযোগ হোৱা বদ্ধৰূপবোৰক কালসূচক প্ৰত্যয় আৰু পুৰুষসূচক বিভক্তি

Scanned with CamScanner

বোলা হয়। অসমীয়া ভাষাত এই কালসূচক প্ৰত্যয় আৰু পুৰুষসূচক বিভক্তি প্ৰয়োগ কৰি ক্ৰিয়াপদৰ গঠন কৰা হয়। উদাহৰণস্বৰূপে—

| | | |
|---|---|---|
| খা + ওঁ | = | খাওঁ |
| খা + ইছ্ + ওঁ | = | খাইছোঁ |
| খা + ল + ওঁ | = | খালোঁ |
| খা + ম | = | খাম |

—ইয়াত 'খাওঁ' নিত্য বৰ্তমান কালৰ ৰূপত কোনো কালবাচক প্ৰত্যয় যোগ হোৱা নাই। কিন্তু স্বৰূপ বৰ্তমান কালৰ 'খাইছোঁ'ত -ইছ্, অতীত কালৰ 'খালোঁ'ত -ল/-ইল আৰু ভৱিষ্যত কালৰ 'খাম'ত -ইম কালবাচক প্ৰত্যয় যোগ কৰা হৈছে। এনেদৰে অসমীয়া ভাষাত বৰ্তমান, অতীত আৰু ভৱিষ্যত কাল বুজোৱা ক্ৰিয়াপদ গঠন কৰা হয়। তলত অসমীয়া ভাষাৰ ক্ৰিয়াবিভক্তিবোৰ কাল অনুযায়ী তালিকা এখন দিয়া হ'ল—

| কাল | প্ৰথম পুৰুষ | দ্বিতীয় পুৰুষ | | তৃতীয় পুৰুষ |
|---|---|---|---|---|
| | | তুচ্ছাৰ্থ | মান্যাৰ্থ | |
| নিত্য-বৰ্তমান | ওঁ | অ | আ | এ |
| স্বৰূপ বৰ্তমান | ইছোঁ | ইছ | ইছা | ইছে |
| পূৰ্ণ ভূতকাল | ইছিলোঁ | ইছিল | ইছিলো | ইছিল |
| স্বৰূপ ভূত কাল | ইলোঁ | ইলি | ইলা | ইলে |
| ভৱিষ্যত কাল | ইম | ইবি | ইবা | ইবে |

## ২.৪ অধ্যায়টোৰপৰা আমি কি শিকিলোঁ

এই অধ্যয়টিৰ পৰা আমি বুজিব পাৰিলোঁ যে—

- ৰূপতত্ত্ব ভাষাৰ আলোচনাৰ এক প্ৰধান দিশ। ধ্বনিতত্ত্বৰ পিচতেই ৰূপতত্ত্বৰ আলোচনাৰ গুৰুত্ব আছে।
- ৰূপতত্ত্বৰ মূল আধাৰ হৈছে **ৰূপ**। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম।

Scanned with CamScanner

- ৰূপতত্ত্বৰ মূল আধাৰ ৰূপবোৰক আকৃতি, প্ৰাকৃতি, প্ৰয়োগ, গাঁথনিক সম্পৰ্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি দুটা ভাগত ভাগ কৰিব পাৰি—
    - মুক্তৰূপ
    - বদ্ধৰূপ
- যেতিয়া কোনো বিশিষ্ট ধ্বনি বা বিশিষ্ট ধ্বনিৰ সমষ্টিয়ে স্বাধীন ভাবে অৰ্থ প্ৰকাশকৰিব পাৰে বা যিবোৰ ৰূপ বা আকৃতিৰ অকলে অৰ্থ প্ৰকাশ কৰাৰ ক্ষমতা আছে বা যিবোৰ আকৃতি উচ্চাৰণ বা উল্লেখ কৰা লগে লগে সিহঁতৰ নিজা অৰ্থ প্ৰকাশ পায়, সেইবোৰেই মুক্ত ৰূপ বা মুক্ত প্ৰকৃতি।
- বদ্ধৰূপবোৰ অকলে ব্যৱহাৰ হ'ব নোৱাৰে। এই ৰূপবোৰে আন ৰূপৰ সংযোগতহে নতুন অৰ্থবাচক শব্দ গঠন কৰিব পাৰে। বদ্ধৰূপবোৰে বাক্যৰ ভিতৰৰ পদসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰে আৰু বাক্যত ব্যৱহাৰৰ উপযোগী কৰি অৰ্থপ্ৰকাশক কৰি তোলে।
- মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত যিবোৰ প্ৰাকৃতি যুক্ত হৈ অৰ্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্ৰাকৃতিবোৰক **সৰ্গ** বোলে। অসমীয়া ভাষাৰ বদ্ধৰূবোৰকে সাধাৰণতে সৰ্গ বোলা হয়।
- বাক্যত প্ৰয়োগৰ স্থান আৰু গুণ বা কাৰ্যৰ ওপৰত নিৰ্ভৰ কৰি অসমীয়া ভাষাৰ সৰ্গবোৰক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— অৱস্থানগত সৰ্গ আৰু গুণগত বা কাৰ্যগত সৰ্গ। আকৌ পদগঠনত বদ্ধৰূপ বা সৰ্গবোৰৰ প্ৰয়োগৰ অৱস্থানলৈ লক্ষ্য ৰাখি অৱস্থানগত সৰ্গক প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰা হৈছে— ক) উপসৰ্গ (Prefix) খ) পৰসৰ্গ (Suffix) গ) অন্তঃসৰ্গ (Infix)। আনহাতে ভ গুণগত বা কাৰ্যৰ ভিত্তিত সৰ্গবোৰক প্ৰধানভাৱে দুটা ভাগত ভাগ কৰা হয়— (ক) শব্দ সাধনমূলক বা ব্যুৎপত্তিমূলক সৰ্গ বা প্ৰত্যয় আৰু (খ) পদ সাধনমূলক সৰ্গ বা বিভক্তি।

---

## ২.৫ অধিক জানিবলৈ

ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ ৰূপতত্ত্ব সম্পৰ্কে অধিক জানিবলৈ নিম্নলিখিত গ্ৰন্থকেইখন

Scanned with CamScanner

চাব পাৰে—


কাকতি, বাণীকান্ত ঃ **অসমীয়া ভাষাৰ গঠন আৰু বিকাশ**, অনু. শ্রী বিশ্বেশ্বৰ হাজৰিকা, বৰপেটা সাহিত্য সভাৰ হৈ বীনা লাইব্রেৰী, গুৱাহাটী, অসম, প্রথম পুনৰ প্রকাশ, ২০০২

কোঁৱৰ, অপৰ্ণা ঃ **ভাষাবিজ্ঞান উপক্রমণিকা**, বনলতা, ডিব্রুগড়, চতুর্থ সংস্কৰণ, মে, ২০১৫

গোস্বামী, উপেন্দ্রনাথ ঃ **অসমীয়া ভাষাৰ ৰূপকথা**, মাণিক প্ৰকাশ, গুৱাহাটী, সপ্তম সংস্কৰণ, ২০০৯ চন

—— ঃ **অসমীয়া ভাষাৰ ব্যাকৰণ**,

গোস্বামী, গোলোকচন্দ্ৰ ঃ **অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ**, বীণা লাইব্রেৰী, গুৱাহাটী, অসম, সপ্তম সংস্কৰণ, আগষ্ট, ২০১১

দেৱী, প্রণীতা ঃ **ভাষাবিজ্ঞানৰ জিলিকনি**,গুৱাহাটী বিশ্ববিদ্যালয়, জালুকবাৰী, গুৱাহাটী, দ্বিতীয় প্রকাশ, ২০১৪

পাঠক, ৰমেশ ঃ **ভাষা-বিজ্ঞানৰ ভূমিকা**, অশোক বুক ষ্টল, পানবজাৰ, গুৱাহাটী-১, প্রথম প্রকাশ, ডিচেম্বৰ, ১৯৮০

—— ঃ **অসমীয়া ভাষাৰ ইতিহাস**, অশোক বুক ষ্টল, পানবজাৰ, গুৱাহাটী-১, প্রথম প্রকাশ, ছেপ্টেম্বৰ, ২০০৮

বৰা, লীলাৱতী শইকীয়া ঃ **অসমীয়া ভাষাৰ ৰূপতত্ত্ব**, বনলতা, গুৱাহাটী, তৃতীয় সংস্কৰণ, মাৰ্চ, ২০১৫

হাকাচাম, উপেন ৰাভা ঃ **অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ**, অসম পাবলিচিং কোম্পানী, কলেজ হোষ্টেল ৰোড, পানবজাৰ গুৱাহাটী, প্ৰকাশ, ছেপ্তেম্বৰ, ২০১৫

—— ঃ **ব্যৱহাৰিক অসমীয়া ব্যাকৰণ**, অৰুনোদয় প্রকাশন, পানবজাৰ, গুৱাহাটী-ৰ, প্রথম প্রকাশ ঃ ২০১৩

Hocket, C.F. : **A course in Modern Linguistics,** 3rd edition, 1976


Scanned with CamScanner

Nida, E.A. : **Morphology**, 5th edition, 1957

## ২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** ভাষাৰ যিটো শাখাত ব্যাকৰণগত এককসমূহৰ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰা হয়, সেয়াই ৰূপতত্ত্ব। ভাষাত ব্যৱহাৰ হোৱা ৰূপসমূহৰ বিশ্লেষণ কৰাই ৰূপতত্ত্বৰ প্ৰধান কাম। এই বিশ্লেষণত বিশেষকৈ শব্দগঠন আৰু পদসাধনৰ পৰ্যালোচনা কৰা হয়।..... অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য...., বিভক্তি..., প্ৰত্যয়...., শব্দসাধন...., পদসাধন..., নিৰ্দিষ্টতাবাচক..... বহুবচনাত্মক.... পুৰুষবাচক বিভক্তি, কাৰক... বচন.... লিংগ... সম্পৰ্কে আলোচনা কৰিব

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰূপতত্ত্ব আলোচনাৰ এটা বিশেষ দিশ হ'ল ৰূপ। ৰূপ ভাষা এটাৰ ক্ষুদ্ৰতম ব্যাকৰণগত উপাদান। শব্দ এটাত একাধিক উপাদান নিহিত হৈ থাকে। শব্দ এটাৰ ক্ষুদ্ৰতম বিভাজিত গোটসমূহেই হ'ল ৰূপ।....... ৰূপবোৰক আকৃতি, প্ৰাকৃতি, প্ৰয়োগ, গাঁথনিক সম্পৰ্ক আদি বিভিন্ন দিশৰ পৰা বিচাৰ কৰি দুটা ভাগত ভাগ কৰিব পাৰি— মুক্তৰূপ আৰু বদ্ধৰূপ..... সম্পৰ্কে আলোচনা কৰিব।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** মূল প্ৰাকৃতি বা প্ৰকৃতিৰ লগত যিবোৰ প্ৰাকৃতি যুক্ত হৈ অৰ্থবহ ভিন্ন ৰূপৰ সৃষ্টি কৰি বাক্যত ব্যৱহাৰৰ উপযোগী কৰি তোলে তেনে প্ৰাকৃতিবোৰক **সৰ্গ** বোলে।...... সৰ্গবোৰক দুটা প্ৰধান ভাগত ভাগ কৰিব পাৰি— অৱস্থানগত সৰ্গ আৰু গুণগত বা কাৰ্যগত সৰ্গ।...... অৱস্থানগত সৰ্গৰ তিনিটা ভাগ— উপসৰ্গ..... পৰসৰ্গ.... অন্তঃসৰ্গ.....। আনহাতে গুণগত ভিত্তিত সৰ্গবোৰৰ দুটা ভাগ— শব্দ সাধনমূলক সৰ্গ বা প্ৰত্যয় ..... আৰু পদ সাধনমূলক সৰ্গ বা বিভক্তি..... উদাহৰণৰ সৈতে আলোচনা কৰিব।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** যিবোৰ সৰ্গই মূল শব্দ বা ধাতুৰ আগত বা পাছত বহি ভিন্ন অৰ্থবাচক শব্দ সাদন কৰে, সেইবোৰেই সাধাৰণভাৱে শব্দসাধনমূলক সৰ্গ বা প্ৰত্যয় বোলে। বচন, লিঙ্গ, কাৰক-বিভক্তি আদিৰ বাবে ৰূপৰ সাধন কৰিবলৈ পদ সাধনমূলক বদ্ধৰূপবোৰ যোগ কৰা হয়।......... শব্দ সাধনমূলক সৰ্গ সৰ্গৰ তিনি প্ৰকাৰৰ পোৱা যায়— পূৰ্বপ্ৰত্যয়

Scanned with CamScanner

.... কৃৎ প্ৰত্যয়..... আৰু তদ্ধিত প্ৰত্যয়.... আদিৰ সংযোগত কেনেদৰে শব্দ সাধন হয় আলোচনা কৰিব।

যিবোৰ সৰ্গৰ সংযোগে সব্যয় পদ গঠন কৰে আৰু পদৰ ৰূপৰ পৰিৱৰ্তন সাধন কৰে সেইবোৰ সৰ্গই **বিভক্তি**।....... শব্দ বিভক্তি.... ক্ৰিয়া বিভক্তি.... ইতাদিৰ সংযোগত কেনেদৰে পদ সাধন হয় আলোচনা কৰিব

---

## ২.৭ আৰ্হি প্ৰশ্ন

---

**প্ৰশ্ন ১ ঃ** ৰূপতত্ত্ব বুলিলে কি বুজে। অসমীয়া ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে এটি নাতিদীৰ্ঘ টোকা প্ৰস্তুত কৰক।

**প্ৰশ্ন ২ ঃ** ৰূপ কি? অসমীয়া ভাষাৰ ৰূপবোৰক ঘাইকৈ কেইটা ভাগত ভগাব পাৰি। প্ৰতিটো ভাগৰে উদাহৰণসহ আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** সৰ্গ বুলিলে কি বুজে। অসমীয়া ভাষাৰ সৰ্গবোৰক কি কি দিশৰ পৰা বিভাজন কৰিব পাৰি। —আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** প্ৰত্যয় আৰু বিভক্তিৰ পৰিচয় দাঙি ধৰি শব্দসাধন আৰু পদসাধনত প্ৰত্যয় আৰু বিভক্তিৰ ভূমিকা সম্পৰ্কে আলোচনা কৰক।

Scanned with CamScanner